Total number of printed pages–7

**37 (ASM-4) 4·1 A/B**

# 2019

## ASSAMESE

Paper : 4·1

*Full Marks : 64*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

## GROUP – A

### *( Bhakti Literature )*

১। (ক) সৰ্বভাৰতীয় পৰ্যায়ত সূত্ৰপাত হোৱা ভক্তি আন্দোলনৰ লগত অসমৰ ভক্তি বা বৈষ্ণৱ আন্দোলনৰ কোন কোন ক্ষেত্ৰত সাদৃশ্য আৰু কোন কোন ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয় বিচাৰ কৰা। ১৪

*অথবা*

(খ) ভক্তি আন্দোলনৰ উদ্ভৱ আৰু বিকাশৰ ক্ষেত্ৰত দক্ষিণ ভাৰতৰ আলোৱাৰ সকলৰ অৱদান সম্পৰ্কে বহলাই আলোচনা কৰা।

Contd.

২। (ক) শংকৰদেৱৰ 'ভক্তিপ্ৰদীপ' গ্ৰন্থত বক্তা কোন? শ্ৰোতা কোন? শ্ৰোতাজনে কি কি বিষয়ক প্ৰশ্ন কৰিছিল? সেই প্ৰশ্ন আৰু উত্তৰৰ মাজেৰে গ্ৰন্থ ৰচয়িতাই কি তত্ত্ব ব্যাখ্যা কৰিছে তাৰ আভাস দিয়া। ১+১+২+১০=১৪

*অথবা*

(খ) মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী' অনুবাদ নে মৌলিক গ্ৰন্থ? গ্ৰন্থখনক অসমৰ নৱবৈষ্ণৱ সমাজে বিশেষ শ্ৰদ্ধা কৰাৰ কাৰণ কি? গ্ৰন্থখনৰ বিষয়বস্তু সম্বন্ধে এটি আভাস দিয়া। ২+২+১০=১৪

৩। (ক) শিৱপুৰাণখনৰ ৰচক ৰুদ্ৰসিংহৰ পৰিচয় দিয়া আৰু গ্ৰন্থখনত শিৱৰ মহিমা কেনেদৰে বৰ্ণিত হৈছে বুজাই লিখা। ৪+১০=১৪

*অথবা*

(খ) ৰুদ্ৰসিংহৰ 'শিৱ পুৰাণ'ত শিৱ-বিষ্ণু বা শিৱ-দেৱীৰ সম্পৰ্ক সম্বন্ধে কিবা আভাস পোৱা যায়নে বিচাৰ কৰা আৰু 'শিৱ পুৰাণ'ৰ চমু পৰিচয় দিয়া। ৭+৭=১৪

৪। (ক) ৰুচিনাথ কন্দলীৰ "'শ্ৰীশ্ৰী চণ্ডী' গ্ৰন্থখনিক 'মাৰ্কণ্ডেয় চণ্ডী'ৰ হুবহু অনুবাদ নুবুলি দেৱী পৰম্পৰাৰ সংশ্লেষণ আখ্যা দিলেহে খাপ খায়" — কথাষাৰৰ তাৎপৰ্য্য উদাহৰণ সহ বিশ্লেষণ কৰা। ১৪

*অথবা*

(খ) সুকবি নাৰায়ণ দেৱৰ পদ্মা পুৰাণৰ ভাটিয়ালী খণ্ডত প্ৰতিফলিত সমাজখন দাঙি ধৰাৰ লগতে কাব্যাংশৰ ৰস সম্বন্ধে আভাস দিয়া। ৭+৭=১৪

৫। চমুটোকা লিখা ঃ *(যিকোনো দুটা)* ৪×২=৮

(ক) অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদ

(খ) সাধন আৰু সাধ্যভক্তি

(গ) শিৱ আৰু শক্তিৰ সম্পৰ্ক

(ঘ) দেৱী ভাগৱত আৰু চণ্ডী কাব্য।

## GROUP – B

১। তলৰ *যিকোনো চাৰিটা* অংশ অসমীয়ালৈ অনুবাদ কৰক আৰু *আঁচটনা* শব্দবোৰৰ সংস্কৃত ৰূপ নিৰ্ণয় কৰি অৰ্থ লিখক। ৩×৪=১২

(ক) পুৰা মহানসম্হি দেৱানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো অনুদিৱসং বহুনি প্ৰাণ সত-সহস্রানি আৰভিসু সূপাথায়।

(খ) ৰাজানো সৱত্ৰ দেৱানং প্ৰিয়স প্ৰিয়দসিনো ৰাঞো দ্বে চিকীছ কতা — মনুস-চিকীছা চ, পসু-চিকীছা চ।

(গ) ফন্দনং চপলং চিত্তং দূৰক্খং দুন্নিবাৰয়ং।
উজুং কৰোতি মেধাৱী উসুকাৰো'ৰ তেজনং।।

(ঘ) যথাপি ৰহদো গম্ভীৰো বিপ্পসন্নো অনাবিলো।
অবং ধম্মানি সুত্বান বিপ্পসীদন্তি পণ্ডিতা।।

(ঙ) অমিঅং পাউঅ-কব্বং পঢিউং সোউং অ জে ণ আণন্তি।
কামস্স তত্ততত্তিং কুণন্তি তে কহং ণ লজ্জন্তি।

(চ) মন্তাণ তন্তাণ ণ কিং পি জাণে
ঝাণং চ ণো কিংপি গুৰুপ্পসাআ।
মজ্জং পিআ মো মহিলং ৰমামো
মোক্খং চ জামো কুলমগ্গলগ্গা।।

(ছ) কুসুমৰাউহ ৰূৱনিহি বিহি নিম্মৱিয় গৰিট্ঠ।
তং পিক্খেৱিণু পহিয়-নিহি গাহা ভনিয়া অট্ঠ।।

২। অশোকৰ অনুশাসন কি? ভাষাতত্ত্বৰ দৃষ্টিকোণেৰে ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত অনুশাসনসমূহৰ গুৰুত্ব বিচাৰ কৰক। ৪+৮=১২

*অথবা*

'ধম্মপদ' নামটোৰ তাৎপৰ্য ব্যাখ্যা কৰি আপোনাৰ নিৰ্বাচিত পাঠ্যৰ আধাৰত গ্ৰন্থখনৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য বিচাৰ কৰক। ৪+৮=১২

৩। সট্টক কি? সট্টক হিচাপে 'কৰ্পূৰমঞ্জীৰী' নাটকখনৰ মূল্যায়ন কৰক। ৪+৮=১২

*অথবা*

“মহাৰাষ্ট্ৰী প্ৰাকৃত ‘গাহাসত্তসঈ’ৰ ভাষাৰ মূল আধাৰ যদিও অপভ্ৰংশৰ উপাদানো ইয়াত লক্ষ্য কৰা যায়” — ভাষাতাত্ত্বিকৰ এই কথাষাৰৰ আধাৰত ‘গাহাসত্তসঈ’ৰ ভাষাগত বিশেষত্ব বিচাৰ কৰক। ১২

৪। ‘সন্দেশৰাসক’ কাব্যৰ আধাৰত অপভ্ৰংশৰ ব্যাকৰণগত বৈশিষ্ট্য আলোচনা কৰক। ১২

*অথবা*

‘কীৰ্ত্তিলতা’ কাব্যৰ কবিগৰাকীৰ নাম কি? অৱহট্‌ঠ ভাষা-সাহিত্যলৈ কবিগৰাকীৰ অৱদান সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক। ২+১০=১২

৫। চমুটোকা লিখক ঃ *(যিকোনো চাৰিটা)* ৪×৪=১৬

(ক) ত্ৰিপিটক

(খ) ‘পালি’ নামৰ তাৎপৰ্য

(গ) প্ৰাকৃত গীতি সাহিত্য

(ঘ) সংস্কৃত নাটকত প্ৰাকৃত প্ৰয়োগ

(ঙ) পালি আৰু প্ৰাকৃতৰ পাৰ্থক্য

(চ) অৱহট্‌ঠ।

---